# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। নেপাল আৰু তিববতত হোৱা বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি। অসমৰ ১১ গৰাকী লোক সন্ধানহীন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক শ্বিলঙত আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত গাওঁবুঢ়া সন্মান প্ৰদান।

৩। হাতী-মানুহৰ সংঘাত ৰোধ আৰু বন সংৰক্ষণৰ উদ্দেশ্যে গোৱালপাৰাৰ পাইকান সংৰক্ষিত বনাঞ্চলত ৭৫ হেক্টৰ ভূমিত বাঁহ ৰোপণ।

৪। গুৱাহাটীত প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান। **আৰু**

৫। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। দেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকী পালন।

০০০০

নেপাল চৰকাৰে দক্ষিণ ছিটৱান জিলাত ভোটে কোশি নৈৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা প্ৰশাসনে চিনাক্ত কৰিব নোৱৰা ২২৯ গৰাকী লোকৰ মৃতদেহ সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। মৃতদেহসমূহৰ অৱস্থা বেয়াৰ পিনে ঢাল খোৱাৰ ফলত সংক্ৰমণৰ আশংকালৈ চাই এই সিদ্ধান্ত লোৱা হৈছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদাশংকা প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, আজি পুৱাৰ ভাগলৈ মুঠ ৬২৬ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা মৃতদেহৰ বৰ্ধিত সংখ্যাৰ ফলত চিটৱান জিলা প্ৰশাসন মৃতদেহ সংৰক্ষিত কৰি ৰখাত জটিলতাৰ সন্মুখীন হৈছে। স্থানীয় চিকিৎসালয়ত পৰ্যাপ্ত ঠাই আৰু সুবিধাৰ অভাৱত মৃতদেহসমূহ ৰখাৰ বাবে অস্থায়ী ব্যৱস্থা কৰিবলগীয়া হৈছে।

স্বাস্থ্য বিশেষজ্ঞসকলে গেলি পচি যোৱা মৃতদেহৰ পৰা ওলোৱা দুৰ্গন্ধৰ ফলত সংক্ৰমণ আৰু ইয়াৰ ফলত মহামাৰী বিয়পিব পাৰে বুলি সকিয়াই দিছে। এনে সকিয়নিলৈ চাই চিটৱানৰ জিলা সুৰক্ষা সমিতিয়ে চিনাক্ত কৰিব নোৱাৰা মৃতদেহসমূহ ভৰতপুৰ নগৰৰ দেৱঘাটৰ মুকলি এলেকাত সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। কৰ্তৃপক্ষসমূহে প্ৰকাশ কৰা মতে, সমাধিস্থ কৰাৰ পূৰ্বে মৃতদেহসমূহৰ দি এন এ সংগ্ৰহ কৰা হ'ব।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা মতে আজি পশ্চিম কাৰ্বি আংলঙৰ এজন লোক সন্ধানহীন হোৱাৰ তথ্য প্ৰকাশ হৈছে। ইয়াকে লৈ নেপালৰ বানত সন্ধানহীন হোৱা অসমৰ লোকৰ সংখ্যা ১১ লৈ বৃদ্ধি পাইছে। ইপিনে, বানত সন্ধানহীন হোৱা বুলি ইতিপূৰ্বে প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা, পশ্চিম কাৰ্বি আংলঙৰ শিৱ মাৰাক, চাৰ্বিচন মাৰাক আৰু এলিপচন চাংমা নামৰ লোক কেইজন নিৰাপদে আছে বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্যত প্ৰকাশ পাইছে।

বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি টেলিফোনযোগে নেপালৰ বানত সন্ধানহীন নলবাৰীৰ অৰৰাৰ অৰুণ মহন্তৰ পৰিয়ালৰ সৈতে কথা পাতে আৰু অৱস্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লগতে চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতাৰ আশ্বাস দিয়ে। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নেপালৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেপালত সন্ধানহীন হোৱা অসমৰ লোকসকলক সুকলমে উভতি আহিব বুলি আশা প্ৰকাশ কৰে।

বাইট- সোণোৱাল

০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত দেশ মাতৃৰ সুৰক্ষাৰ হকে সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ডং শৰ্মাই কয়, যে শ্বহীদসকলৰ অদম্য সাহস, বীৰত্ব আৰু আত্মত্যাগে সকলোকে সদায় দেশ সেৱাৰ বাবে অনুপ্ৰাণিত কৰি যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধস্মাৰকত বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জোৱানসকলৰ সমৰ কলা কৌশল, কুছ কাৱাজ আৰু অস্ত্ৰ সঞ্চালনৰ শৈলী উপভোগ কৰে। এই ভ্ৰমণকালত জোৱান তথা সামৰিক পৰিয়ালবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে মত-বিনিময়ো কৰে। আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত সন্মান গাওঁবুঢ়াৰে মুখ্যমন্ত্ৰীগৰাকীক এই কাৰ্যসূচীত সন্মানিত কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শ্বিলঙত বিহু পৰিৱেশন আৰু মেঘালয়ৰ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰি উষ্ম আদৰণি জনোৱা হয়। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধী, বিমলা প্ৰসাদ চলিহাৰ পাছত হিমন্ত বিশ্ব শৰ্মা আছাম ৰেজিমেণ্টৈল চেণ্টাৰত উপস্থিত হোৱা তৃতীয়গৰাকী মুখ্যমন্ত্ৰী হিচাপে পৰিগণিত হৈছে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি উৎফুল্লিত বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে-

(বাইট-চি এম)

০০০০

গোৱালপাৰা বন সংমণ্ডলে বন সংৰক্ষণ, হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে জিলাখনত বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে কৃষ্ণাই বনাঞ্চলৰ অন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলত বন বিভাগে ৭৫ হেক্টৰ ভূমিত বাঁহ ৰোপণ কৰিছে। আজি বনাঞ্চলৰ কাষৰীয়া গাওঁ পশ্চিম দাইৰঙৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ বন সজাগতা আৰু বন পৰিচালনা সমিতিৰ মাজত চুক্তি স্বাক্ষৰ সভা অনুষ্ঠিত কৰা হয়। গোৱালপাৰা বন সংমণ্ডলৰ প্ৰাধিকাৰী তেজাছ মৰিশ্বামীয়ে সভাখনত উপস্থিত থাকি বন সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজক সজাগ কৰাৰ লগতে দাইৰং বন পৰিচালনা সমতি আৰু বন বিভাগৰ মাজত চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে বন বিভাগে ৰোপণ কৰা ৭৫ হেক্টৰ বাঁহ প্ৰতিপালনৰ দায়িত্ব দাইৰং বন বিভাগ পৰিচালন সমিতিক অৰ্পণ কৰা হয়। চুক্তি মতে বাঁহৰ পৰা সংগ্ৰহ হোৱা ধন দাইৰং বন পৰিচালনা সমিতিয়ে লাভ কৰিব। এই পদক্ষেপে বন সুৰক্ষাৰ লগতে বন পৰিচালনা সমিতিৰ সদস্যসকলে আৰ্থিকভাৱে লাভান্বিত হ'ব বুলি বন প্ৰাধিকাৰীগৰাকীয়ে উল্লেখ কৰে। তদুপৰি এনে পদক্ষেপে হাতী-মানুহৰো সংঘাত ৰোধ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়,

আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান গুৱাহাটীৰ উজান বজাৰস্থিত বিবেকানন্দ সংস্কৃতি প্ৰতিষ্ঠান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হয়। এই উপলক্ষে গোলাপ বৰবৰা জন্ম শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি পদ্মশ্ৰী বঁটা প্ৰাপক অজয় দত্তৰ সভাপতিত্বত বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ডং অমৰজ্যোতি চৌধুৰী, নতুন দিল্লীৰ ডং ৰাম মনোহৰ লোহিয়া, গৱেষণা ফাউণ্ডেচনৰ অধ্যক্ষ ৰঞ্জন সিং আৰু জ্যেষ্ঠ সাংবাদিক তথা বিশিষ্ট লেখক প্ৰশান্ত ৰাজগুৰুৱে গোলাপ বৰবৰাৰ জীৱনজোৰা কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ড০ পৰমানন্দ মজুমদাৰৰ সম্পাদিত গোলাপ বৰবৰা ৰচনাৱলীৰ দ্বিতীয় সংস্কৰণ উন্মোচন কৰা হয়।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিটি মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ হোৱা শৈক্ষিক ভৱনটো শুভ উদ্বোধন কৰে। ধেমাজি চিটি মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী উষা আঁচনিৰ অধীনত ৩ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে এই শৈক্ষিক ভৱনটি নিৰ্মাণ কৰা হৈছে। এই নতুন শৈক্ষিক ভৱনটো উদ্বোধন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ সংযোজন হোৱা ভৱনটোৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত কৰিব পৰাকৈ ১০০ কম্পিউটাৰ আৰু অত্যাধুনিক প্ৰেক্ষাগৃহৰ ব্যৱস্থা আছে বুলি উল্লেখ কৰে। লগতে তেওঁ বিগত কিছু বছৰত মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি আৰু ফলাফলৰ ক্ষেত্ৰটো মহাবিদ্যালয়খনে যথেষ্ট গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলিও প্ৰকাশ কৰে। এই নতুন শৈক্ষিক ভৱনটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক যথেষ্ট উপকৃত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

(বাইট-ৰণোজ)

০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে হকীৰ যাদুকৰ মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় হকীত মেজৰ ধ্যানচন্দৰ অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ৰীড়া প্ৰেমীলৈও শুভেচ্ছা জনায়। সৰুসজাইত ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়। ক্ৰীড়া, শাৰীৰিক সুস্থতা আৰু অসমৰ চহকী থলুৱা ক্ৰীড়া পৰম্পৰাৰ প্ৰচাৰৰ উদ্দেশ্যে এলানি ক্ৰীড়া প্ৰতিযোগিতা, প্ৰদৰ্শনী আৰু কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক কমনৱেল্থ গেম্ছৰ স্বৰ্ণ পদক বিজয়ী নয়নমণি শইকীয়াও উপস্থিত থাকে।

০০০০

ধুবুৰী আৰু ফুলবাৰী সংযোগী নদী দলঙখনৰ নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। অহা বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত এই দলঙখন সম্পূৰ্ণ হৈ উঠিব বুলি প্ৰকাশ কৰা হৈছে। ১৯ দশমিক ২৮২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলঙখন দেশৰ ভিতৰতে আটাইতকৈ দীঘল দলং হ'ব বুলি জনা গৈছে। বৰ্তমানলৈকে দলঙখনৰ  কাম প্ৰায় ৮০ শতাংশ

সম্পূৰ্ণ হৈছে। দলঙখনৰ নিৰ্মাণ ব্যয় ৪৯৭ দশমিক ০-৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। এই দলঙখন সম্পূৰ্ণ হৈ উঠিলে যাতায়াতৰ লগতে অঞ্চলটোৰ আৰ্থ সামাজিক দিশত  সুদূৰ প্ৰসাৰি পৰিৱৰ্তন হ'ব বুলি আশা কৰা হৈছে। লগতে পৰ্যটন আৰু উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্যিক বিকাশতে দলঙখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় পৌৰ নিগমৰ বৰ্ড মিটিঙত অংশগ্ৰহণ কৰি চহৰখনৰ সামগ্ৰিক উন্নয়ন আৰু নাগৰিক সেৱাৰ মান উন্নীতকৰণৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত চহৰখনক অধিক সুপৰিকল্পিত, পৰিষ্কাৰ আৰু আধুনিক কৰি তোলাৰ বিষয় লৈ পৰামৰ্শ আগবঢ়ায়। বৈঠকত বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰ, উপ মেয়ৰ উজ্বল ফুকনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খোৱাং মহাবিদ্যালয়ৰ নৱ নিৰ্মিত প্ৰেক্ষাগৃহ শুভ উদ্বোধন কৰে।

০০০০

ডঃ বৰ্ণালী ডেকাই কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া সচিব পদত নিযুক্তিৰ বাবে তালিকাভুক্ত হোৱা ৰাজ্যৰ প্ৰথমগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱাৰ মহিলা বিষয়া হিচাপে ইতিহাস ৰচনা কৰিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ উচ্চ পদস্থ প্ৰশাসনিক পদসমূহৰ নিযুক্তিৰ বাবে বৰ্ণালী ডেকাৰ নামত অনুমোদন জনাইছে। ২০২৫ চনৰ আগষ্টত কেন্দ্ৰীয় ডেপুটেছনৰ যোৱাৰ পূৰ্বে ড০ ডেকাই অসমৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত আৰু সচিব হিচাপে দায়িত্ব পালন কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ বৰপেটা, গোলাঘাট, গোৱালপাৰা, কোকৰাঝাৰ আৰু নলবাৰী জিলাৰ আয়ুক্ত হিচাপে দায়িত্ব পালন কৰিছিল।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত সাক্ষ্য গ্ৰহণৰ প্ৰক্ৰিয়া অব্যাহত আছে। গোচৰ সংক্ৰান্তত আজি আদালতত অভিযুক্ত শ্যামকানু মহন্তৰ ভতিজী সৃজনী ভাস্ব মহন্ত আৰু চবিন দাসে সাক্ষ্য প্ৰদান কৰে। সাক্ষ্য প্ৰদান কালত অভিযুক্ত শ্যামকানু মহন্ত আৰু শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই সৃজন ভাস্ব মহন্তক প্ৰতি জেৰা কৰে। একেদৰে জীৱিত কালত শিল্পী জুবিন গাৰ্গৰ চিকিৎসাৰ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰা চিকিৎসক ডাঃ হীতেশ  বৰুৱাক অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই জেৰা কৰা প্ৰক্ৰিয়া আজি সম্পূৰ্ণ হয়। অৱশ্যে সময়ৰ অভাৱত আন অভিযুক্ত সকলৰ অধিবক্তাই ডাঃ বৰুৱাক জেৰা কৰিব নোৱাৰিলে।  জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত এই পৰ্যন্ত ১১৪ জন সাক্ষীৰ সাক্ষ্য প্ৰদান সম্পূৰ্ণ হৈছে।

০০০০

অহা ১২ ছেপ্তেম্বৰত দেশজুৰি চলিত বৰ্ষৰ তৃতীয় খন ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। সেইদিনাখন দেশৰ বাকী অংশৰ লগতে হাটশিঙিমাৰীৰ ফেকামাৰীস্থিত জিলা আদালত চৌহদত পুৱা ৯ বজাৰ পৰা লোক আদালত আৰম্ভ হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলা আইন সেৱা প্ৰাধিকৰণে আজি হাটশিঙিমাৰীত  সংবাদমেলযোগে এইকথা সদৰি কৰে। সংবাদ মেলত প্ৰকাশ কৰা মতে, এই ৰাষ্ট্ৰীয় লোক আদালতত বিভিন্ন দেৱানি গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰ, চেক বাউন্স, বৈবাহিক তথা পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু  বিদ্যুৎ বিভাগৰ সৈতে জড়িত বিবাদ মিমাংসাৰ জৰিয়তে নিস্পত্তি কৰা হব। ইয়াৰোপৰি আদালতত গোচৰ তৰা পূৰ্বৰ বিবাদসমূহো সৌহাদ্যপূৰ্ণভাৱে সমাধান কৰাৰ ব্যৱস্থা থাকিব। হাটশিঙিমাৰীত এইবাৰ এনেধৰণৰ সহস্ৰাধিক গোচৰ নিস্পত্তিৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে।

০০০০

তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি জিলা আয়ুক্তৰ সভাপতিত্বত জিলাখনৰ পথ সুৰক্ষা সমিতিৰ আগষ্ট মাহৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত আগষ্ট মাহৰ পথ সুৰক্ষা সমিতিৰ কাৰ্যসূচী বিতংভাৱে আলোচনা কৰে। বৈঠকত জিলাখনৰ পথ সুৰক্ষা ব্যৱস্থা, যান-বাহনৰ চলাচল, পাৰ্কিং ব্যৱস্থা আৰু পথ দুৰ্ঘটনা ৰোধৰ বিভিন্ন দিশৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। বিশেষকৈ দ্বাৰকুচি পাৰ্কিং সমস্যাক লৈ আলোচনা কৰাৰ লগতে সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত জিলা আৰক্ষী বিভাগে জনোৱা মতে আগষ্ট মাহত জিলাখনত ৭ টা পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত ৫ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৬ জন লোক গুৰুতৰভাৱে আহত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে এই দুৰ্ঘটনাসমূহৰ আঁৰৰ কাৰণসমূহ বিশ্লেষণ কৰি ভৱিষ্যতে যাতে এনে দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহক সমন্বিতভাৱে ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ